# REGIONAL NEWS UNIT
## AKASHVANI GUWAHATI
0000000000

**Date :** 20-10-2025
**Time :** 2125 Hrs

# *Assamese Night Bulletin*

::::::::::::::::::::

সমগ্ৰ ৰাজ্যতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালিপূজা আৰু দিপাৱলী পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্জ্বলাই তোলা হৈছে। বিভিন্ন ঠাইত থকা কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত কালী পূজাৰ আয়োজন কৰা হৈছে।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। ৰাজ্যপালগৰাকীয়ে আজি গুৱাহাটীৰ নাৰেংগী সেনা চাউনীত উপস্থিত হৈ সেনা বাহিনীৰ বিষয়া আৰু জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰে। সেনাবাহিনীৰ লোকসকলৰ সৈতে তেওঁ মত বিনিময় কৰাৰ লগতে মিঠায়ো বিতৰণ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

০০০০০০০

সোণাপুৰত থকা জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰ নিৰ্মাণক লৈ আজি শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গ, ভগ্নী পামী বৰঠাকুৰ, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথী মহন্ত, অভিনেতা প্ৰাঞ্জল শইকীয়া, লেখিকা অনুৰাধা শৰ্মা পূজাৰী, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, সংগীত শিল্পী পুলক বেনাৰ্জীকে ধৰি সমিতিখনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা কথাবাৰ্তাত গৰিমা গাৰ্গে কয়, যে জুবিন গাৰ্গক নৱপ্ৰজন্মৰ আগত চিনাকী কৰি দিব পৰাকৈ সকলো সমল সমাধিক্ষেত্ৰত থাকিব লাগিব। জুবিন গাৰ্গে প্ৰকৃতিক অন্তৰেৰে ভাল পাইছিল বুলি উল্লেখ কৰি গৰিমা গাৰ্গে কয়, যে সমাধিক্ষেত্ৰখনো প্ৰাকৃতিক পৰিৱেশৰ সৈতে সংপৃক্ত হৈ থাকিব লাগিব। অৱশ্যে সোণাপুৰৰ সেই সমাধিক্ষেত্ৰ

জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ হিচাপে পৰিচিত হোৱাতকৈ জুবিনক্ষেত্ৰ হিচাপে পৰিচিত হোৱাটোহে বিচাৰিছে গৰিমা গাৰ্গে। তেওঁ কয়—

*-বাইট-*

০০০০০০০

অহা ডিচেম্বৰৰ বা জানুৱাৰীৰ ভিতৰত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাগৰিত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এই কথা সদৰী কৰে।

ইপিনে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোটৰ ছিংগাপুৰ ভ্ৰমণ সন্দৰ্ভত গোটৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই পৰৱৰ্ত্তী সময়ত সংবাদ মাধ্যমক সকলো অৱগত কৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে।

০০০০০০০

বাক্সা জিলাৰ নিকাচী কাৰাগাৰত সংঘটিত হিংসাত্মক ঘটনাৰে জড়িত আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বাক্সা জিলাৰ আৰক্ষী অধীক্ষক উজ্জ্বল প্ৰতীম বৰুৱাই জনোৱা মতে হিংসাত্মক ঘটনাৰে জড়িত মুঠ ১১ জন লোকক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ১৫ অক্টোবৰত জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বাক্সা কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। দুই অভিযুক্তক কঢ়িয়াই নিয়া গাড়ীলৈ লক্ষ্য কৰি একাংশ লোকে শিলগুটি নিক্ষেপ কৰাৰ লগতে আৰক্ষীলৈও শিল নিক্ষেপ কৰিছিল। ইয়াৰ পিছতেই পৰিস্থিতি অধিক অৱনতি ঘটে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে, সম্প্ৰতি বাক্সা জিলাৰ পৰিৱেশ স্বাভাৱিক হৈছে যদিও জিলাখনত বি এন এছ এছৰ ১৬৩ ধাৰা অব্যাহত আছে। হিংসাত্মক ঘটনাৰে জড়িত প্ৰত্যেকজন লোকক চিনাক্ত কৰা হৈছে বুলি উল্লেখ কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয়, যে চিনাক্ত কৰা প্ৰতিজন লোকক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰা হ'ব।

০০০০০০০

**সমাপ্ত**